# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-03-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::**

অসমৰ বিভিন্ন কাৰাগাৰত অনাহকতে বন্দীত্বৰ জীৱন কটোৱা  কাৰাবন্দীসকলৰ হৈ আইনী যুঁজ আগবঢ়োৱাৰ উদ্দেশ্যে **ফ'ৰাম অৱ লিগেল এচিছটেণ্ট ট্যু প্ৰিজনাৰ্ছ আন্দাৰ ট্ৰায়েল** শীৰ্ষক এটা স্বেচ্ছাসেৱী সংগঠন গঠন কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ড° ৰোমান শৰ্মাই আজি গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত এখন সংবাদমেলত এই কথা ঘোষণা কৰে। অধিবক্তা ড° শৰ্মাই  কয়, যে সকলো নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষা কৰি অনাহকত কাৰাবাস খাটি থকা কাৰাবন্দীসকলক মুক্ত জীৱন-যাপনৰ সুযোগ প্ৰদান কৰাৰ বাবে এই ফ'ৰাম গঠন কৰা হৈছে। পৰৱৰ্তী পৰ্যায়ত আইনজীৱী আৰু অধিবক্তা সমাজৰ সহযোগত অসমৰ সকলো জিলালৈ ফ'ৰামৰ কাম-কাজ সম্প্ৰসাৰিত কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে।

০০০০

বান আৰু খহনীয়া সমস্যা সমাধানৰ লক্ষ্যৰে মন্ত্ৰী পীযূষ হাজৰিকাই আজি জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে বৈঠকত মিলিত হয়। গুৱাহাটীৰ বশিষ্ঠৰ অসম জল ভৱনত আয়োজিত এই বৈঠকত জ্যেষ্ঠ বিষয়া, ঠিকাদাৰসকলৰ সৈতে বিভাগীয় কামত জড়িত ভালেকেইগৰাকী ব্যক্তিয়ে অংশ লয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধিকৰণ, অসমৰ অধীনত বিভিন্ন শিতানত চলি থকা আৰু অনাগত দিনত সম্পন্ন হ'বলগীয়া কামসমূহৰ বিষয়ে বুজ লয়। বান আৰু খহনীয়া প্ৰতিৰোধী কামসমূহ সুচাৰুৰূপে তথা ক্ষিপ্ৰতাৰে সম্পাদন সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত বান, খহনীয়া প্ৰতিৰোধী কামৰ বাবে পৰ্যাপ্ত পৰিমাণে জিঅ' বেগ, পাৰ্কুপাইন আদি প্ৰয়োজনীয় সামগ্ৰী, সকলো স্থানতে প্ৰয়োজনীয় সামগ্ৰীৰ উপলভ্যতা আদি সন্দৰ্ভত আলোচনা কৰা হয়। কাম চলি থকা স্থানত যাতে প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ তেওঁ অভিযন্তা, ঠিকাদাৰসকলক নিৰ্দেশ দিয়ে।

০০০০

কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হ'ব। কেন্দ্ৰীয় হিলাল সমিতি অসমেও কাইলৈ ৰমজানৰ প্ৰথম ৰোজা আৰম্ভ হ'ব বুলি জানিবলৈ দিছে। সমিতিৰ সভাপতি আৰু সম্পাদকে আমাৰ সংবাদদাতাক জনোৱা মতে, কালি সন্ধিয়া অসম তথা দেশৰ অন্য প্ৰান্তত, আকাশত ৰমজান মাহৰ জোন দেখা নোযোৱাৰ পৰিপ্ৰেক্ষিতত কাইলৈ ৰমজান মাহ আৰম্ভ হ'ব। হিলাল সমিতিৰ তথ্য অনুসৰি কাইলৈ প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ  বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় আবেলি ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হৈছে। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ

মূল্য। গোৱালপাৰা জিলাতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ফল-মূল, ছেৱৈ, খেজুৰ, মিঠাই আদি সুস্বাদু খাদ্যৰে জিলাখনৰ হাট-বজাৰসমূহ ভৰি পৰিছে।

আজি সন্ধিয়া ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত তাৰাবিহ নামাজ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৰমজান হ'ল আত্মশুদ্ধিৰ মাহ আৰু ইয়াৰ জৰিয়তে বিশ্ব শান্তি কামনা কৰা হয়। ৰমজান মাহ শেষ হোৱাৰ পাছতে ঈদ-উল-ফিতৰ উদযাপন কৰা হ'ব।

০০০০

তামুলপুৰ জিলাৰ গোৰেশ্বৰত আজি বিটিচিৰ উদ্যোগ আৰু  বাণিজ্য বিভাগৰ তত্বাৱধানত আৰু এন আৰ ডি এছ মেনেজমেণ্ট প্ৰাইভেট লিমিটেডৰ উদ্যোগত গোৰেশ্বৰত অৱস্থিত কলাগুৰু বিষ্ণুৰাভা ভৱনত উদ্যোগীকৰণ আৰু বিনিয়োগকাৰী সন্মিলন কাৰ্যসূচী অনুষ্ঠিত হয়। তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে অনুষ্ঠানৰ শুভ উদ্বোধন কৰি কয়, যে এই সন্মিলনে অঞ্চলটোৰ উদ্যোগীসকলক প্ৰেৰণা যোগাব। স্থানীয় বেংকসমূহে যাতে উদ্যোগী আৰু ব্যৱসায়ীসকলক ঋণ দি উৎসাহিত কৰিব পাৰে তাৰ বাবে বেংকৰ ঋণ প্ৰদান প্ৰক্ৰিয়া সহজ কৰি তোলাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। এন আৰ ডি এছ্ গ্ৰুপৰ পৰিচালন সঞ্চালক সুবিৰ সৰকাৰে আদৰণি ভাষণ দিয়ে আৰু গুলচন বসুমতাৰীয়ে  অনুষ্ঠানৰ আঁত ধৰে। বিটিআৰৰ কাৰ্যবাহী সদস্য সজল কুমাৰ সিংহই বিটিআৰ অঞ্চলৰ উদ্যোগ আৰু ব্যৱসায়ৰ ক্ষেত্ৰখন আগুৱাই নিয়াৰ বাবে অহৰহ চেষ্টা অব্যাহত ৰখা বুলি প্ৰকাশ কৰে।

অনুষ্ঠানত এন আৰ ডি এছ্ মেনেজমেণ্টৰ দেৰহাসাৎ নাৰ্জাৰী, ডি আই চি চিৰ বিষয়া ৰঞ্জন কছাৰী, বিটিআৰৰ পাৰিষদ পবিত্ৰ কুমাৰ বড়ো, গোৰেশ্বৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ত্ৰিলিনা টাইড, অঞ্চলটোৰ স্থানীয় বেংকসমূহৰ শাখা প্ৰৱন্ধক আৰু ব্যৱসায়ীৰ লগতে ভালেমান  বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

নগাঁও চহৰখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে নগাঁও পৌৰসভাই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশস্বৰূপে আজি চহৰখনত বিধায়ক ৰূপক শৰ্মাই ৩ কোটিৰো অধিক টকাৰে ক্ৰয় কৰা ৰাজপথ পৰিষ্কাৰ কৰা অত্যাধুনিক মেচিনৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত পথত পানী দিয়াৰ বাবে ২৫ লাখ টকাৰে ক্ৰয় কৰা এখন অত্যাধুনিক বাহন মুকলি কৰা হয়। এই বাহনখনে চহৰখনক পৰিষ্কাৰ কৰি ৰখাত সহজ কৰি তুলিব বুলি বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

বাক্সা জিলাৰ চিমলা থানা আৰক্ষীয়ে এটা গোপন সূত্ৰৰ পম খেদি এ টি এমৰ পৰা টকা হৰলুকী কৰাৰ অপৰাধত আজি এজন লোকক আটক কৰি মুছলপুৰ আদালতলৈ প্ৰেৰণ কৰে। ধৃত লোকজন বৰপেটা জিলাৰ কয়াকুছি বনবহাৰৰ মিৰাজুল হক বুলি জানিব পৰা গৈছে। মিৰাজুল হকে এটা দলৰ লগত জড়িত হৈ এ টি এমৰ পৰা জনসাধাৰণৰ একাউণ্টৰ টকা হৰলুকী কৰাৰ অভিযোগ পোৱাৰ পাছতে শিমলা আৰক্ষীয়ে অভিযান চলাই হকক আটক কৰে। সম্প্ৰতি আৰক্ষীয়ে এই বৃহৎ দলটোৰ সদস্যসকলক আটক কৰাৰ বাবে তৎপৰতা চলাই আছে।

০০০০

সমাপ্ত